**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 12-07-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::

HEADLINE

১। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে নিযুক্তি মেলাৰ জৰিয়তে বৰ্তমানলৈকে দেশত ১০ লাখৰো অধিক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ সপোন দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ উন্নয়নৰ জৰিয়তেহে পূৰণ হ'ব বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। ভাৰতীয় ন্যায় ব্যৱস্থা বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে বুলি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গভাই প্ৰকাশ কৰে।

৪। ৰাছিয়াই আজি আকাশ মাৰ্গেৰে ইউক্ৰেইনৰ ওপৰত ব্যাপক হাৰত আক্ৰমণ চলায়।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ লৰ্ডছত তৃতীয় টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে প্ৰথম ইনিংছত বাতৰি যুগুতোৱাৰ পৰলৈকে ৫ টা উইকেটৰ বিনিময়ত ২৮৬ ৰান সংগ্ৰহ কৰিছে।

ooooo

নিযুক্তি মেলাই যুৱ প্ৰজন্মৰ সবলীকৰণ আৰু তেওঁলোকক বিকশিত ভাৰত গঢ়াৰ প্ৰক্ৰিয়াৰ অনুঘটক কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক সূচাইছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিভিন্ন চৰকাৰী বিভাগত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰাৰ পাছত ষোড়শ নিযুক্তি মেলাত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে কয়। নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক অভিনন্দন জনাই শ্ৰীমোদীয়ে কয়, যে চৰকাৰৰ নিযুক্তি মেলা উদ্যমৰ জৰিয়তে লাখ লাখ যুৱক-যুৱতীয়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ অধীনত স্থায়ী নিযুক্তি লাভ কৰিবলৈ সমৰ্থ হৈছে। দেশত ষ্টাৰ্টআপ প্ৰতিষ্ঠান, উদ্ভাৱন আৰু গৱেষণাৰ বাবে অনুকুল বাতাবৰণ গঢ়ি তোলা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ইয়াৰ ফলত দেশত যুৱ প্ৰজন্মৰ সামৰ্থ্য বৃদ্ধি পাইছে। বিশ্ব বেংকৰ লেখীয়া গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে বৰ্তমান ভাৰতৰ প্ৰশংসা কৰিবলৈ লৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰত বিশ্বৰ সৰ্বাধিক সমতা সমতা থকা দেশসমূহৰ ভিতৰত অন্যতম ৰূপে পৰিগণিত হৈছে।

নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানৰ লগত সংগতি ৰাখি দেশৰ ৪৭টা স্থানত আজি নিযুক্তি মেলাৰ আয়োজন কৰা হয়। পশ্চিমবংগৰ ছিয়ালদাহ, শিলিগুৰি আৰু খৰগপুৰত অনুষ্ঠিত হোৱা নিযুক্তি মেলাত ৪৪৯ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে নাগপুৰত ১৪৮ গৰাকী প্ৰাৰ্থীক দক্ষিণ-পূব ৰে'ল বিভাগত নিযুক্তি প্ৰদান কৰে। মুম্বাইত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গয়েলে ১৮৯ গৰাকী আৰু পুনেত কেন্দ্ৰীয় মন্ত্ৰী মুৰুলীধৰ মহলে

১১৪ গৰাকী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে। নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰ্যালয়, গৃহ পৰিক্ৰমা, কৰ্মচাৰী আৰু ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন, শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়, ৰাজহ বিভাগ, ডাক বিভাগ আৰু উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন মন্ত্ৰ্যালয় বিভাগত যোগদান কৰিব। নিযুক্তি মেলাৰ জৰিয়তে বৰ্তমানলৈকে দেশত ১০ লাখৰো অধিক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ সপোন দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ উন্নয়নৰ জৰিয়তেহে পূৰণ হ'ব। শ্ৰী শ্বাহে আজি তিৰুৱনন্তপুৰমৰ পুথৰিকাণ্ডম খেলপথাৰত বিজেপিৰ ৱাৰ্ড স্তৰৰ বৈঠক সম্বোধন কৰি কয়, যে বিকশিত কেৰালা, বিকশিত ভাৰতৰ এক অভিন্ন অংগ। তেওঁ দুৰ্নীতি মুক্ত শাসন, সকলো শ্ৰেণী লোকৰ মাজত চৰকাৰী আঁচনিসমূহৰ  সম-উপলভ্যতা, ৰাজনৈতিক স্বাৰ্থৰ উৰ্ধত উন্নয়ন- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই তিনিটা মুখ্য বিষয়ে কেৰালাৰ বিকাশৰ বাবে বুনিয়াদ সৃষ্টি কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কিদৰে অপাৰেচন সিন্দূৰ আৰু ছাৰ্জিকেল ষ্ট্ৰাইকৰ জৰিয়তে সন্ত্ৰাসবাদৰ বিৰুদ্ধে উচিত প্ৰত্যুত্তৰ দিলে, সেই কথা উল্লেখ কৰি মোদী চৰকাৰৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি থকা দায়বদ্ধতাৰ শলাগ লয়।

অনুষ্ঠানত প্ৰদেশ বিজেপিৰ অধ্যক্ষ ৰাজীৱ চন্দ্ৰশেখৰ, কেৰালা বিজেপিৰ প্ৰভাৰী প্ৰকাশ জাভেডকাৰ, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী জৰ্জ কুৰিয়েন আৰু অন্যান্য নেতৃবৃন্দই অংশগ্ৰহণ কৰে। দক্ষিণ কেৰালাৰ প্ৰায় ৩৬ হাজাৰ দলীয় নেতৃবৃন্দই অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত এই বছৰৰ শেষত হ'বলগীয়া স্থানীয় নিৰ্বাচনৰ আগে আগে অনুষ্ঠিত কৰা হয়। ইয়াৰ পূৰ্বে শ্ৰী শ্বাহে তিৰুৱনন্তপুৰমত বিজেপিৰ নৱনিৰ্মিত ৰাজ্যিক মুখ্য কাৰ্যালয়টো মুকলি কৰে।

ooooo

ভাৰতীয় ন্যায় ব্যৱস্থা বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে আৰু ইয়াক প্ৰতিৰোধ কৰাটো প্ৰয়োজনীয় বিযয় হৈ পৰিছে বুলি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গভাই প্ৰকাশ কৰে। আজি হায়দৰাবাদত অনুষ্ঠিত হোৱা নালছাৰ ২২ সংখ্যক বাৰ্ষিক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্য ন্যায়াধীশগৰাকীয়ে কয়, যে যদিও আমাৰ আইনী ব্যৱস্থাটোৰ সংশোধন কৰাটো অতি প্ৰয়োজনীয় বিষয় হৈ পৰিছে। তেওঁ আশাবাদী যে, নাগৰিকসকলে সুকলমে এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। তেওঁ লগতে উল্লেখ কৰে যে, আমাৰ দেশ তথা ইয়াৰ আইনী ব্যৱস্থাটোৱে বছৰ বছৰ আৰু কোনো কোনো ক্ষেত্ৰত দশক দশক ধৰি বিচাৰাধীন হৈ থকা বিভিন্ন গোচৰৰ সন্মুখীন হ'বলগীয়া হৈছে। তেওঁ নতুনকৈ উত্তীৰ্ণ হোৱা স্নাতক ডিগ্ৰীধাৰীসকলক ভৱিষ্যতে ক্ষমতা লাভৰ পৰিৱৰ্তে সততাৰ সন্ধানত নিজৰ গুৰু বিচাৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। তেলেংগানা উচ্চন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ সুজয় পালে সভাপতিত্ব কৰা সমাৱৰ্তন অনুষ্ঠানত মুখ্যমন্ত্ৰী এ ৰেৱন্ত ৰেড্ডী আৰু উচ্চতম ন্যায়লয়ৰ ন্যায়াধীশ পি এছ নৰসিংহয়ো অংশগ্ৰহণ কৰে।

ooooo

ৰাছিয়াই আজি আকাশ মাৰ্গেৰে ইউক্ৰেইনৰ ওপৰত ব্যাপক হাৰত আক্ৰমণ চলায়। এই আক্ৰমণত প্ৰায় ৬০০ ড্ৰোণ আৰু ২৬ টা ক্ষেপনাস্ত্ৰ ব্যৱহাৰ কৰা হয়। চহৰসমূহক লক্ষ্য কৰি  কৰা আক্ৰমণত দেশখনৰ পশ্চিম অঞ্চলৰ লভিভ, লুটস্ক, চৰ্নিভেষ্ট বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। আক্ৰমণত ৰোমানিয়াৰ সীমান্তৱৰ্তী অঞ্চলত দুজন লোক নিহত হোৱাৰ লগতে ২০ জন লোক আহত হয়। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমাৰ জেলেনস্কিয়ে এই আক্ৰমণৰ তীব্ৰ

অসন্তুষ্টি ব্যক্ত কৰি অসামৰিক আন্তঃগাঁথনিৰ ব্যাপক ক্ষতিৰ কথা ব্যক্ত কৰে। প্ৰত্যুত্তৰত ইউক্ৰেইনৰ বায়ু সেনাই ২৫ টা ক্ষেপনাস্ত্ৰ আৰু ৩১৯ টা ড্ৰোণ নিক্ষেপ কৰাৰ লগতে অতিৰিক্ত ২৫৮ টা ইলেকট্ৰনিক ৱাৰ ফেয়াৰ প্ৰতিৰোধ কৰে। ইফালে ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি, কালি ১৫৫ খন ইউক্ৰেইনৰ ড্ৰোণ নিক্ষেপ কৰা হৈছিল, যত মস্কো অভিমুখী ১১ খন ড্ৰোণ আছে। শেহতীয়াকৈ ইউক্ৰেইনলৈ আমেৰিকাই আগবঢ়োৱা সামৰিক সহযোগিতা পুনৰ আৰম্ভ কৰাৰ মাজতে ইউক্ৰেইনৰ ভূখণ্ডৰ গভীৰতালৈ ৰাছিয়াৰ আক্ৰমণ বৃদ্ধি পোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

ooooo

নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানে পবিত্ৰ সুশ্ৰুত জয়ন্তীৰ উপলক্ষে কাইলৈৰ পৰা তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ শল্যকন ২০২৫ৰ আয়োজন কৰিছে। প্ৰতি বছৰে ১৫ জুলাইত উদযাপন কৰা সুশ্ৰুত জয়ন্তীত অস্ত্ৰোপচাৰৰ পিতৃ কিংবদন্তি আচাৰ্য্য সুশ্ৰুতক স্মৰণ কৰা হয়। এই আলোচনাচক্ৰত সাধাৰণ অস্ত্ৰোপচাৰ, এনোৰেক্টাল অস্ত্ৰোপচাৰ আৰু ইউৰ'চাৰ্জিকেলকে ধৰি বিভিন্ন ধৰনৰ চিকিৎসা প্ৰণালীৰ প্ৰদৰ্শন কৰা হ'ব।

আলোচনাচক্ৰৰ প্ৰথম দিনটোত দহটা সাধাৰণ এণ্ডোস্কোপিক লেপাৰোস্কোপিক অস্ত্ৰোপচাৰ কৰা হ'ব। দ্বিতীয় দিনা ষোল্লটাকৈ এনোৰেক্টাল অস্ত্ৰোপচাৰৰ প্ৰদৰ্শন কৰা হ'ব যিয়ে অংশগ্ৰহণকাৰীসকলক অস্ত্ৰোপচাৰৰ অনুশীলনসমূহ পৰ্যবেক্ষণ কৰা আৰু শিকাৰ সুযোগ প্ৰদান কৰিব। উদ্ভাৱন, একত্ৰীকৰণ আৰু অনুপ্ৰেৰণাক মুল মন্ত্ৰ হিচাপে লোৱা শ্বল্যকন ২০২৫ত পৰম্পৰা আৰু প্ৰযুক্তিৰ সংগম হিচাপে উদযাপন কৰিবলৈ সাজু হৈছে। এই আলোচনাচক্ৰত ভাৰতৰ লগতে বিশ্বৰ 500ৰো অধিক পণ্ডিত, শল্যচিকিৎসক, গৱেষক আৰু শিক্ষাবিদে অংশগ্ৰহন কৰিব বুলি উদযাপন সমিতিৰ তৰফৰ পৰা জানিবলৈ দিছে। উল্লেখযোগ্য যে আয়ুষৰ ৰাজ্যিক মন্ত্ৰী প্ৰতাপৰাও গণপত্ৰাও যাদৱে ১৪ জুলাইৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

ooooo

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন দপ্তৰৰ মন্ত্ৰী ৰাম মোহন নাইডুৱে এয়াৰ ইণ্ডিয়াৰ বিমান দূৰ্ঘটনা সন্দৰ্ভত দেশৰ বিমান দূৰ্ঘটনা তদন্তকাৰী সংস্থাই আগবঢ়োৱা প্ৰতিবেদন বিষয়ত কয় যে এয়া হৈছে সংস্থাটোৱে কেৱল প্ৰাথমিক পৰ্যায়ৰ তদন্তৰ পিছত প্ৰকাশ কৰা এটা প্ৰতিবেদন। তেওঁ লগতে চূড়ান্ত প্ৰতিবেদন প্ৰকাশ নোহোৱা পৰ্যন্ত কোনো সিদ্ধান্ত উপনীত নহবলৈ জনসাধাৰনক আহ্বান জনাইছে। অসামৰিক বিমান পৰিবহন দপ্তৰৰ

ৰাজ্যমন্ত্ৰী মূৰলীধৰ মহলেও কেৱল মাত্ৰ ১৫ পৃষ্ঠাৰ প্ৰাথমিক তদন্তৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি দূৰ্ঘটনা সন্দৰ্ভত চূড়ান্ত সিদ্ধান্তত লোৱাটো গ্ৰহনযোগ্য নহয় বুলি মন্তব্য কৰিছে।

০০০০০

বালি আৰু ধূলিৰ ধুমুহাৰ ফলত বিশ্বৰ ১৫০ খনতকৈও অধিক দেশৰ ৩৩০ নিযুতৰো অধিক লোক প্ৰভাৱিত হোৱাৰ লগতে স্বাস্থ্য, অৰ্থনীতি আৰু পৰিৱেশৰ বিস্তৰ ক্ষতিসাধন হৈছে বুলি বিশ্ব বতৰ বিজ্ঞান সংস্থাই জানিবলৈ দিছে। ৰাষ্ট্ৰসংঘৰ সংস্থাটোৱে কয় যে বিশ্বত বছৰি প্ৰায় 2 বিলিয়ন টন ধূলি নিৰ্গত হয়, ইয়াৰে ৮০ শতাংশতকৈও অধিক উত্তৰ আফ্ৰিকা আৰু মধ্য প্ৰাচ্যৰ মৰুভূমিৰ পৰা উৎপন্ন হয়। সংস্থাই কৈছে যে, মধ্য প্ৰাচ্য আৰু উত্তৰ আফ্ৰিকা অঞ্চলটোত কেৱল ধুমুহাৰ ক্ষয় ক্ষতিৰ বাবে বাৰ্ষিক ১৫০ বিলিয়ন ডলাৰতকৈ অধিক ব্যয় হয়। উল্লেখযোগ্য যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে বালি আৰু ধূলিৰ ধুমুহাৰ বিৰুদ্ধে যুঁজ দিবলৈ আন্তঃৰাষ্ট্ৰীয় দিৱস হিচাপে ২০২৫-২০৩৪লৈ সমৰ্পিত দশক বুলি ঘোষণা কৰিছিল।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ লৰ্ডছত তৃতীয় টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে প্ৰথম ইনিংছত বাতৰি যুগুতোৱাৰ পৰলৈকে ৫ টা উইকেটৰ বিনিময়ত ২৮৬ ৰান সংগ্ৰহ কৰিছে। ভাৰতে দ্বিতীয় দিনৰ অন্তত তিনিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪৫ ৰানৰ পৰা খেল আৰম্ভ কৰি ভোজন বিৰতিলৈ ৪ উইকেটৰ বিনিময়ত ২৪৮ ৰাণ সংগ্ৰহ কৰে। ভোজন বিৰতিৰ পূৰ্বে ৭৪ ৰান সংগ্ৰহ কৰি ঋষভ পণ্ট ৰান আউট হয়। ভোজন বিৰতিৰ পিছত কে এল ৰাহুলে এশ ৰান সম্পূৰ্ণ কৰাৰ পাছতে ছৈয়ব বছিৰৰ বলত আউট হয়।

৫ খনীয়া এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলাৰ তৃতীয়খন টেষ্টৰ প্ৰথম ইনিংছত ঘৰুৱা দল ইংলেণ্ডে ৩৮৭ ৰান সংগ্ৰহ কৰিছিল।

০০০০০

ঃঃ সমাপ্ত ঃঃ